# সংবিধান

## ফাটবিহু, ঢকুৱাখনা

**প্ৰস্তাৱনা ঃ** ফাটবিহু ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত সাংস্কৃতিক উৎসৱ। অতীজৰে পৰা ঢকুৱাখনাত পৰম্পৰাগত ভাৱে ফাটবিহু উৎসৱ অনুস্থিত হৈ আহিছে । ফাটবিহু সম্পৰ্কে লিখিত ইতিহাস ক'তো পাবলৈ নাই। শেহতীয়াকৈ চিন্তাশীল সকলৰ বিভিন্ন প্ৰচেষ্টাত ইয়াৰ কিছু তথ্যপাতি পোহৰলৈ আহিছে। জনামতে আহোম ৰাজত্ব কালৰে পৰা ফাটবিহু এই সমগ্ৰ ঢকুৱাখনা অঞ্চলৰ বিভিন্ন জন-জাতি আৰু অ-জনজাতিৰ মাজত সাংস্কৃতিক মিলনৰ হকে কাম কৰি আহিছে। অসমৰ জাতীয় কৃষ্টি আৰু লোক সংস্কৃতিৰ লগত ফাটবিহু কোনো চৰিত্ৰগত পাৰ্থক্য নাই। অৱশ্যে ইয়াৰ কিছু নিজস্ব বৈশিষ্ট্য আছে। ঢকুৱাখনাস্থ চাৰিকড়ীয়া নদী পাৰে পাৰে ই বিস্তৃতভাৱে সকলো লোকৰ বাবে আনন্দৰ জোৱাৰ তুলিছিল। পূৰ্বতে ইয়াক প্ৰায় গোটেই ব'হাগ মাহ ধৰি পালন কৰা হৈছিল। কালক্ৰমত ই সীমিত হৈ পৰিল আৰু বৰ্তমান ইয়াক তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰি অহা হৈছে। এই অনুষ্ঠানটোৰ নামাকৰণ ফাটবিহু কেনেকৈ হ'ল তাৰ কিবা ঐতিহাসিক কাৰণ আছে বুলি ধাৰণা কৰা হয় যদিও ইয়াৰ সঠিক সিদ্ধান্তত বৰ্তমানলৈকে উপনীত হ'ব পৰা নাই। এই ক্ষেত্ৰ ত অনুসন্ধিৎসু সকলে গৱেষণা অব্যাহত ৰাখিছে। অনাগত দিনত এই বিষয়ে এটি তথ্য ভিত্তিক গ্ৰহণযোগ্য সিদ্ধান্তৰ বিষয়ে আশা কৰিব পাৰি।

**অনুচ্ছেদ ১ ঃ-**

| | | |
|---|---|---|
| (ক) নামাকৰণ | ঃ- | "ফাটবিহু" ঢকুৱাখনা। |
| (খ) এলেকা | ঃ- | সমগ্ৰ ঢকুৱাখনা অঞ্চল। |
| (গ) পতাকা | ঃ- | ফুলাম গামোছাৰ মাজত ফুলাম জাপি আৰু জাপিৰ তলত দুটা পেঁপাত ফাটবিহু, ঢকুৱাখনা বুলি অংকিত থাকিব। |

(ঘ) প্ৰতীক ঃ- ফুলাম জাপিৰ তলত দুটা পেঁপাৰ মাজত ফাটবিহু ঢকুৱাখনা বুলি অংকিত অংশ খনি ‘ফাটবিহু’ৰ প্ৰতীক হিচাপে ব্যৱহৃত হ’ব।

(ঙ) সাজ-পোছাক ঃ- জাতীয় সাজ-পোছাক (কেৱল জাতীয় সাজ-পোছাক পৰিধান কৰিহে ফাটবিহুৰ মঞ্চত উঠাতো বাধ্যতামূলক আৰু বিহু উপভোগ কৰিবলৈ আহোতে জাতীয় সাজ-পোছাক পৰিধান কৰি অহাটো বাঞ্চনীয়।

**<u>অনুচ্ছেদ ২ ঃ-</u>**

**<u>ফাটবিহুৰ লক্ষ্য আৰু উদ্দেশ্য ঃ</u>**

(ক) ফাটবিহুক অসমৰ লোক সংস্কৃতিৰ সম্পদ হিচাপে সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰা।

(খ) জাতি-বৰ্ণ-ধৰ্ম-দল নিৰ্বিশেষে সকলো ঢকুৱাখনা বাসী ৰাইজক একত্ৰিত কৰি সংস্কৃতি ৱান কৰি গঢ়ি তোলা।

(গ) স্থানীয় সকলো জনগোষ্ঠীয় ৰাইজৰ জৰিয়তে ঢকুৱাখনাৰ স্বক্ৰিয় সংস্কৃতিক অসম তথা দেশৰ বিভিন্ন ঠাইত সু-প্ৰতিষ্ঠিত কৰা।

(ঘ) সংস্কৃতিক যাতে অপসংস্কৃতিয়ে গ্ৰাস কৰিব নোৱাৰে তাৰ কাৰণে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা।

(ঙ) ফাটবিহুতলীক পৰ্য্যটন থলীলৈ উন্নীত কৰা।

(চ) সংস্কৃতিৰ লগতে ঢকুৱাখনাৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰ ত পদক্ষেপ গ্ৰহণ কৰা।

(ছ) যদিও ফাটবিহু জাতি-বৰ্ণ-ধৰ্ম-দল নিৰ্বিশেষে সকলো সংস্কৃতিবান ব্যক্তি জড়িত হ’ব পাৰিব তথাপিও ফাটবিহুক দলীয় ৰাজনীতিৰ উৰ্দ্ধত ৰখাৰ ক্ষেত্ৰ ত সকলো ব্যৱস্থা গ্ৰহণ কৰা ।

**অনুচ্ছেদ ৩ ঃ-**

**(১) ফাটবিহু সমিতি ঃ**

(ক) ফাটবিহুৰ সকলো কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিব কাৰণে "ফাটবিহু সমিতি" ঢকুৱাখনা নামেৰে এখন সমিতি থাকিব। এই সমিতিৰ সদস্য সংখ্যা ২১ জন।

(খ) অতি কমেও দুগৰাকী মহিলা এই সমিতিৰ সদস্য থকাটো বাধ্যতামূলক।

(গ) এই সমিতিৰ কাৰ্যকাল তিনিবছৰীয়া হ'ব।

(ঘ) এই সমিতিখনৰ বিষয়ববীয়া সকল এনে ধৰণৰ হ'ব।

(১) উপদেষ্টা দুজন ।

(২) সভাপতি এজন।

(৩) উপ-সভাপতি এজন ।

(৪) সম্পাদক এজন।

(৫) সহকাৰী সম্পাদক এজন।

(৬) বিত্ত সম্পাদক এজন।

(৭) সাংগঠনিক সম্পাদক এজন।

(৮) কাৰ্যালয় সম্পাদক ও তত্বাবধায়ক এজন।

(৯) সদস্য/সদস্যা ১৪ জন।

(ঙ) ঢকুৱাখনা বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক, স্থানীয় সাংসদ আৰু ঢকুৱাখনা মহকুমাৰ মাননীয় মহকুমাধিপতি ফাটবিহু সমিতিৰ মুখ্য উপদেষ্টা হিচাপে গণ্য কৰা হ'ব।

**২) ফাটবিহু সমিতিৰ গঠন প্ৰণালী ঃ-**

ক) এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰি ফাটবিহু সমিতিখন গঠন কৰিব লাগিব।

খ) জাতি-বৰ্ণ-ধৰ্ম-দল নিৰ্বিশেষে সকলো সংস্কৃতিপ্ৰেমী আৰু ফাটবিহুৰ প্ৰতি আনুগত্য থকা ব্যক্তি এই সভাত উপস্থিত থকাৰ যোগ্যতা থাকিব।

গ) ৰাজহুৱা সভাখন ফাটবিহু সমিতিৰ অনুমোদন সাপেক্ষে সম্পাদকে আহ্বান কৰিব।

ঘ) ৰাজহুৱা সভাখনি পৰিচালনা কৰিবৰ বাবে উপস্থিত ৰাইজৰ মাজৰ পৰা এজন বয়োজ্যেষ্ঠ লোকক সভাপতি হিচাপে ফাটবিহু সমিতিৰ সম্পাদকে নিৰ্বাচন কৰিব।

ঙ) ৰাজহুৱা সভাত ফাটবিহু সমিতিৰ সদস্যৰ বাবে সাধাৰণ পৰিষদৰ সদস্য আৰু নবীকৰণ কৰা পঞ্জীয়ন সদস্য নামহে প্ৰস্তাৱ আৰু সমৰ্থন কৰিব পাৰিব।

চ) প্ৰস্তাৱক আৰু সমৰ্থক দুয়োজনেই পঞ্জীয়নভূক্ত সদস্য হোৱাটো বাধ্যতামূলক।

ছ) এগৰাকী স্থায়ী সদস্যই মাত্ৰ এজন ব্যক্তিৰ নামহে প্ৰস্তাৱ বা সমৰ্থন কৰিব পাৰিব।

জ) প্ৰয়োজনীয় সকলো সদস্যৰ নাম প্ৰস্তাৱ আৰু সমৰ্থন হোৱাৰ পিছত সভাপতিয়ে তেওঁলোকক নিৰ্বাচিত বুলি ঘোষণা কৰিব।

ঝ) এই নিৰ্বাচিত সদস্য সকলে ফাটবিহু সমিতিৰ বিষয়ববীয়া সকলক প্ৰস্তাৱ আৰু সমৰ্থনৰ জৰিয়তে নিৰ্বাচন কৰিব।

ঞ) এগৰাকী নিৰ্বাচিত সদস্যই মাত্ৰ বিষয়বৰীয়াৰ নামহে প্ৰস্তাৱ বা সমৰ্থন কৰিব পাৰিব।

ট) এটা পদৰ বাবে এজনতকৈ অধিক সদস্যৰ নাম প্ৰস্তাৱ বা সমৰ্থন কৰিলে সভাৰ সভাপতিয়ে প্ৰস্তাৱক, সমৰ্থক আৰু প্ৰস্তাৱিত প্ৰাৰ্থী সকলক আলোচনাৰ জৰিয়তে ঐক্যমতত উপনীত হৈ এজনক বাছি উলিয়াবলৈ অনুৰোধ কৰিব। এই অনুৰোধ ফলপ্ৰসু নহ'লে সভাপতিদেৰে গণতান্ত্ৰিকভাৱে বিষয়ববীয়া নিৰ্বাচন কৰাৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাত ফাটবিহু সমিতিলৈ নিৰ্বাচিত সদস্য সকলে অংশগ্ৰহণ কৰিব পাৰিব। গণতান্ত্ৰিকভাৱে হ'ব লগা এই নিৰ্বাচন গোপনীয় হ'ব। এনে নিৰ্বাচনত ফলাফল ড্ৰ হ'লে সভাপতিয়ে লোৱা সিদ্ধান্তই চূড়ান্ত বুলি বিবেচনা কৰা হ'ব।

**৩) ফাটবিহু সমিতিৰ বিষয়ববীয়া সকলৰ যোগ্যতা, দায়িত্ব আৰু কৰ্ত্তব্য ঃ-**

(ক) **উপদেষ্টা ঃ-** উপদেষ্টাই ফাটবিহু সমিতিক বিভিন্ন দিশত দিহা-পৰামৰ্শ দিব। কাৰ্যনিৰ্বাহক বৈঠকত উপস্থিত থাকিব পাৰিব কিন্তু তেখেত সকলৰ ভোটাধিকাৰ নাথাকিব।

(খ) **সভাপতি ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ফাটবিহু সমিতিৰ সভাপতি পদৰ বাবে ব্যক্তিজন সংস্কৃতিপ্ৰেমী আৰু সৎ চৰিত্ৰবান হোৱাটো বাঞ্চনীয়।

(খ) কোনো অসামাজিক আৰু আইন বিৰোধ কামৰ লগত জড়িত ব্যক্তি ফাটবিহু সমিতিৰ সভাপতি হোৱাৰ যোগ্যতা নাথাকিব।

(গ) ফাটবিহুৰ লগতে অন্যান্য যিকোনো ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত বিত্তীয় খেলিমেলি থকা ব্যক্তি ফাটবিহু সমিতিৰ সভাপতি পদৰ বাবে বিবেচনা কৰা নহ'ব।

(ঘ) ফাটবিহু সমিতিৰ সভাপতি পদৰ বাবে ৩৫ বছৰৰ ওপৰৰ ব্যক্তিহে যোগ্য বুলি বিবেচনা কৰা হ'ব।

(ঙ) অতি কমেও তিনিটা কাৰ্য্যকাল ফাটবিহু সমিতিৰ সদস্য হৈ থকা অভিজ্ঞতা থাকিব লাগিব অথবা একেৰাহে তিনিটা উদ্‌যাপন সমিতিৰ বিষয়ববীয়া হৈ কাৰ্য্য পৰিচালনা কৰা অভিজ্ঞতা থাকিব লাগিব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) ফাটবিহুৰ সমিতিৰ সভাপতি গৰাকীকেই সমিতিৰ প্ৰধান হিচাপে গণ্য কৰা হ'ব।

(খ) তেওঁ প্ৰতিখন বৈঠকতে সভাপতিত্ব কৰিব।

(গ) সমিতিৰ বিভিন্ন আঁচনি কাৰ্য্যসূচী আৰু সিদ্ধান্ত সমূহ সভাপতিৰ অনুমোদন অপৰিহাৰ্য্য।

(ঘ) সম্পাদককে আদি কৰি সমিতিৰ সদস্য সকলৰ কাম-কাজ তদাৰক কৰাৰ অধিকাৰ থাকিব।

(ঙ) সম্পাদকে বৈঠক আদি বহুৱাৰ ক্ষেত্ৰ ত গাফিলতি কৰিলে সভাপতিয়ে লিখিত নিৰ্দেশ দি বৈঠক আহ্বান কৰোৱাব পাৰিব। এনে আদেশ কাৰ্যকৰী নকৰিলে সহকাৰী সম্পাদকৰ জৰিয়তে বা নিজেই বৈঠক আহ্বান কৰিব পাৰিব।

(চ) কোনো অসুবিধাজনক কাৰণত সভাপতি সমিতিৰ কামত উপস্থিত থাকিব নোৱাৰিলে উপ-সভাপতিক দায়িত্ব দি সমিতিৰ কাম-কাজ চলাব পাৰিব।

(ছ) ফাটবিহু উদ্‌যাপনৰ মুকলি সভাত তেওঁ সভাপতিত্ব কৰিব।

(জ) ফাটবিহুৰ দান-বৰঙণি ৰছিদত সভাপতিৰ অনুমোদন লাগিব।

**(গ) উপ-সভাপতি ঃ-**

**(ক) যোগতা ঃ-** (ক) ফাটবিহু সমিতিৰ উপসভাপতিৰ বাবে ওপৰত উল্লেখ কৰা সভাপতি যোগ্যতাৰ (ক) (খ) (গ) এইকেইটা দফা প্ৰযোজ্য হ'ব।

(খ) ফাটবিহু উদ্‌যাপনৰ যিকোনো তিনিটা বৰ্ষৰ উদ্‌যাপন সমিতিৰ বিষয়ববীয়া হৈ কাৰ্য্য পৰিচালনা কৰা অভিজ্ঞতা থাকিব লাগিব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) সভাপতিৰ সকলো কামতে সহায়-সহযোগিতা আগবঢ়াব লাগিব।

(খ) সভাপতিৰ অনুপস্থিতিত সভাপতিৰ অনুমোদন সাপেক্ষে সমিতিৰ কাম-কাজৰ দায়িত্ব উপ-সভাপতিয়ে গ্ৰহণ কৰিব লাগিব।

(গ) সভাপতিৰ অনুমতি সাপেক্ষে সভাপতিৰ অনুপস্থিতিত সমিতিৰ বৈঠকত সভাপতিত্ব কৰিব পাৰিব।

**(ঘ) সম্পাদক ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ফাটবিহু সমিতিৰ সম্পাদকৰ বাবে ওপৰত উল্লেখ কৰা উপ সভাপতিৰ যোগ্যতাৰ (ক) দফা প্ৰযোজ্য হ্ব।

(খ) ফাটবিহু সমিতিৰ সম্পাদকৰ পদৰ বাবে অতি কমেও এটা কাৰ্য্যকাল ফাটবিহু সমিতিৰ সদস্য হোৱাৰ অভিজ্ঞতা থাকিব লাগিব অথবা ফাটবিহুৰ উদ্‌যাপনৰ একেৰাহে দুটা উদ্‌যাপন বৰ্ষৰ উদ্‌যাপন সমিতিৰ বিষয়ববীয়াৰ হৈ কাৰ্য্য পৰিচালনা কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) ফাটবিহু সমিতিৰ সকলো আঁচনি কাৰ্য্যসূচী সিদ্ধান্ত আদি কাৰ্য্যকৰী কৰাৰ মূল দায়িত্ব সম্পাদকগৰাকীয়ে বহন কৰিব লাগিব।

(খ) ফাটবিহুৰ সকলো সভা সভাপতিৰ অনুমোদন সাপেক্ষে সম্পাদকে আহ্বান কৰিব লাগিব।

(গ) সমিতিৰ সকলো হিচাপ-পত্ৰ, নথি-পত্ৰ সম্পাদকৰ লগত থাকিব।

(ঘ) ফাটবিহু সম্পৰ্কীয় কাম-কাজ সমূহৰ বিষয়ে বিভিন্ন পক্ষৰ লগত আলোচনা আৰু যোগাযোগ ৰখাৰ ক্ষেত্ৰ ত সম্পাদকৰ দায়িত্ব থাকিব।

(ঙ) ফাটবিহুৰ স্বাৰ্থত চৰকাৰ আৰু বিভিন্ন বিত্তীয় অনুষ্ঠানৰ লগত সম্পাদকে যোগাযোগ ৰাখিব পাৰিব। এই ক্ষেত্ৰত সভাপতিৰ অনুমোদন অপৰিহাৰ্য্য।

(চ) ফাটবিহুৰ বিভিন্ন কৰ্ম আঁচনি সম্পাদকে প্ৰস্তুত কৰিব পাৰিব কিন্তু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰ ত কাৰ্য্যনিৰ্বাহক ৰ অনুমোদন অপৰিহাৰ্য্য।

(ছ) ফাটবিহুৰ স্বাৰ্থত যিকোনো কাম সম্পাদকে নিজাববীয়াকৈ কৰাৰ কৰ্তৃত্ব থাকিলেও সভাপতি দেৱৰ অনুমোদন আৰু পৰৱৰ্ত্তী কাৰ্যনিৰ্বাহকৰ অনুমোদন অপৰিহাৰ্য্য।

(জ) সকলো বিত্তীয় লেন-দেন সম্পাদকৰ লগত থাকিব যদিও খা-খৰচৰ ক্ষেত্ৰ ত সভাপতি দেৱৰ অনুমোদন লাগিব।

(ঝ) সকলো খা-খৰচৰ বিষয়ে সভাপতিৰ লগতে বিত্তীয় সম্পাদকক খৰচ কৰাৰ এক সপ্তাহৰ ভিতৰত অৱগত কৰিব লাগিব আৰু সভাপতিদেৱৰ অনুমোদন প্ৰাপ্তি হ'ব লাগিব।

(ঞ) ফাটবিহুৰ সাধাৰণ বাজেট সম্পাদকে তৈয়াৰ কৰিব আৰু এই বাজেট কাৰ্য্যনিৰ্বাহকৰ ওচৰত দাখিল কৰিব লাগিব। কাৰ্য্যনিৰ্বাহকে বাজেট গ্ৰহণ কৰাৰ পিছত অনুমোদনৰ বাবে সাধাৰণ সভাত দাখিল কৰিব লাগিব।

(ট) ফাটবিহুৰ উদযাপন সমিতিৰ বিভিন্ন কাম-কাজ তদাৰক কৰাৰ কৰ্তৃত্ব ফাটবিহু সমিতিৰ সম্পাদকৰ থাকিব।

(ঠ) সাধাৰণ খা-খৰচৰ বাবে সম্পাদকে নগদ ৫,০০০/- টকা হাতে জমা ৰাখিব পাৰিব।

(ড) উদ্‌যাপন সমিতিয়ে দাখিল কৰা উদ্‌যাপন সম্পৰ্কীয় হিচাপৰ খতীয়ান দাখিল কৰাৰ পোন্ধৰ (১৫) দিনৰ ভিতৰত সম্পাদকে সাধাৰণ সভা আহ্বান কৰি অনুমোদন লোৱাটো বাধ্যতামূলক।

(ঢ) অসুবিধাজনিত কাৰণত ফাটবিহুৰ বিভিন্ন কামত উপস্থিত থাকিব নোৱাৰিলে সভাপতি দেৱৰ অনুমোদন সাপেক্ষে সহকাৰী সম্পাদকক কাৰ্য্য পৰিচালনা কৰিবৰ কাৰণে দায়িত্ব অৰ্পণ কৰিব পাৰিব।

**(ঙ) সহকাৰী সম্পাদক ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ওপৰত উল্লেখ কৰা ফাটবিহু সমিতিৰ সম্পাদকৰ যোগ্যতাৰ (ক) দফা সহকাৰী সম্পাদকৰ কাৰণেও প্ৰযোজ্য হ'ব।

(খ) ফাটবিহু সমিতিৰ সহকাৰী সম্পাদক হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপনৰ যিকোনো দুটা বৰ্ষৰ উদ্‌যাপন সমিতিৰ বিষয়ববীয়া হৈ দায়িত্ব পৰিচালনা কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) সম্পাদকৰ সকলো ক্ষেত্ৰ তে সহকাৰী সম্পাদকে সক্ৰিয় সহযোগিতা আগবঢ়াব লাগিব।

(খ) সম্পাদকৰ অনুপস্থিতিত সভাপতিদেৱৰ অনুমোদন সাপেক্ষে সম্পাদকৰ দায়িত্ব সহকাৰী সম্পাদকে সাময়িকভাৱে পালন কৰিব লাগিব।

**(ঘ) বিত্তীয় সম্পাদক ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ওপৰত উল্লেখ কৰা সহকাৰী সম্পাদকৰ যোগ্যতা (ক) দফা বিত্তীয় সম্পাদকৰ কাৰণেও প্ৰযোজ্য হ'ব।

(খ) বিত্তীয় সম্পাদকৰ কাৰণে ফাটবিহু উদ্‌যাপনৰ যিকোনো এটা উদ্‌যাপন বৰ্ষৰ বিষয়ববীয়া হৈ কাৰ্য্য পৰিচালনা কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

(গ) বিত্তীয় সম্পাদকৰ কাৰণে ব্যক্তিজন হিচাপ-পত্ৰ আদিত অভিজ্ঞতা থকাৰ লগতে নিকা হোৱা বাঞ্চনীয়।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) সকলো বিত্তীয় লেন-দেন বিত্তীয় সম্পাদকৰ অৱগত হ'ব লাগিব।

(খ) দান-বৰঙণি লোৱাৰ ক্ষেত্ৰ ত বিত্তীয় সম্পাদকৰ অনুমোদন অপৰিহাৰ্য্য।

(গ) ফাটবিহুৰ জমা-খৰচৰ হিচাপ বিত্তীয় সম্পাদকে সময়ে সময়ে ফাটবিহু সমিতিৰ সম্পাদকৰ পৰা জনাৰ কতৃত্ব থাকিব। এই ক্ষেত্ৰ ত কিবা সন্দেহ বা অভিযোগ থাকিলে বিষয়টো নিষ্প্ৰতি কৰিবৰ কাৰণে সভাপতি দেৱক অৱগত কৰিব পাৰিব। সভাপতিয়েও এই অভিযোগৰ ভিত্তিত সম্পাদকক বিত্তীয় লেন-দেন সাময়িক ভাৱে নকৰিবলৈ হুকুম দিলে সম্পাদকে সেই হুকুম কাৰ্য্যকৰী কৰিব লাগিব।

(ঘ) ফাটবিহুৰ দান-বৰঙণিৰ ৰচিদত বিত্তীয় সম্পাদকৰ অনুমোদন থাকিব লাগিব।

**(চ) সাংগঠনিক সম্পাদক ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ফাটবিহু সমিতিৰ সাংগঠনিক সম্পাদকৰ যোগ্যতাৰ বাবে ওপৰত উল্লেখ কৰা বিত্তীয় সম্পাদকৰ (ক) আৰু (খ) দফা প্ৰযোজ্য হ'ব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) ফাটবিহুৰ সকলো সাংগঠনিক দিশ চোৱা-চিতা কৰিব লাগিব।

(খ) ফাটবিহুৰ মূল আকৰ্ষণ বিভিন্ন বিহু দল সমূহক ফাটবিহুত অংশগ্ৰহণ কৰোৱা ক্ষেত্ৰ ত সৰ্বাধিক গুৰুত্ব দিব লাগিব।

(গ) বিভিন্ন গাঁওলৈ গৈ ফাটবিহুৰ প্ৰতি সকলোকে আকৃষ্ট কৰিব পৰাকৈ সাংগঠনিক কাম-কাজ অব্যাহত ৰাখিব লাগিব।

(ঘ) অঞ্চলৰ প্ৰতিখন গাঁৰৰ বিহু দলবোৰে যাতে ফাটবিহুত অংশগ্ৰহণ কৰে তাৰ বাবে বিহু দল বোৰক অনুপ্ৰাণিত কৰিব লাগিব। সময়ে সময়ে প্ৰশিক্ষণ আদিও ব্যৱস্থা কৰিব লাগিব। এই প্ৰশিক্ষণ সমূহ ফাটবিহুৰ স্বকীয়তা লগত সম্পৰ্ক ৰাখিহে কৰিব পাৰিব।

(ঙ) ফাটবিহু সদস্য/সদস্যা পঞ্জীয়ন কৰাৰ ক্ষেত্ৰ ত সম্পূৰ্ণ দায়িত্ব সাংগঠনিক সম্পাদকৰ থাকিব যদিও এই ক্ষেত্ৰ ত সভাপতি আৰু সম্পাদকৰ অনুমোদন অপৰিহাৰ্য্য।

**(ছ) কাৰ্য্যালয় সম্পাদক ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ফাটবিহু কাৰ্য্যালয় সম্পাদকৰ যোগ্যতাৰ বাবে ওপৰত উল্লেখ কৰা সাংগঠনিক সম্পাদকৰ যোগ্যতা (ক) দফা প্ৰযোজ্য হ'ব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) ফাটবিহুৰ তলিত এটি স্থায়ী কাৰ্য্যালয় থাকিব। এই কাৰ্য্যালয়টি চোৱা-চিতা কৰাৰ দায়িত্ব কাৰ্য্যালয় সম্পাদকৰ ওপৰত ন্যস্ত থাকিব।

(খ) কাৰ্য্যালয়ৰ আচ-বাব, নথি-পত্ৰ আদি তেওঁৰ তত্বৱধানত থাকিব।

(গ) ফাটবিহু সম্পৰ্কীয় চিঠিপত্ৰ যোগাযোগ আৰু সভা-সমিতি পতা ক্ষেত্ৰ ত লব লগা ব্যৱস্থা কাৰ্য্যালয় সম্পাদকে ল'ব লাগিব।

(ঘ) সভাপতি আৰু সম্পাদকক সকলো কামতে সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াব লাগিব।

(ঙ) ফাটবিহু তলিৰ ৰক্ষণাবেক্ষণ আৰু তদাৰকৰ দায়িত্ব কাৰ্য্যালয় সম্পাদকৰ থাকিব।

**(জ) সদস্য / সদস্যা ঃ-**

**(ক) যোগ্যতা ঃ-** (ক) ফাটবিহু সমিতিৰ সদস্য-সদস্যা হ'বৰ বাবে ওপৰত উল্লেখ কৰা বিত্তীয় সম্পাদকৰ (ক) দফা প্ৰযোজ্য হ'ব।

(খ) অতি কমেও এটা উদ্‌যাপন বৰ্ষৰ যিকোনো এখন উপ-সমিতিৰ বিষয়ববীয়া হ'ব লাগিব।

**(খ) দায়িত্ব ও কৰ্তব্য ঃ-** (ক) ফাটবিহু সমিতিৰ সকলো কাম-কাজত সহায়-সহযোগিতা কৰিব লাগিব।

(খ) সকলো কাৰ্যনিৰ্বাহক সভাত উপস্থিত থকাটো বাধ্যতামূলক ।

(গ) সভাপতি আৰু সম্পাদকৰ অনুৰোধ মৰ্মে যিকোনো কামৰ দায়িত্ব পালন কৰিবলৈ প্ৰস্তুত থাকিব লাগিব।

**(ঝ) হিচাপ পৰীক্ষক ঃ-**

(ক) ফাটবিহু সমিতিৰ সকলো জমা-খৰচৰ হিচাপ পৰীক্ষা কৰাৰ দায়িত্ব হিচাপ পৰীক্ষকৰ থাকিব।

(খ) হিচাপ পৰীক্ষকে পৰীক্ষা কৰা জমা-খৰচৰ খতিয়ান বছৰৰ শেষৰখন সাধাৰণ সভাত কাৰ্যনিৰ্বাহকৰ অনুমোদন লৈ সম্পাদকে দাখিল কৰিব লাগিব।

**অনুচ্ছেদ ৪ ঃ-**

**(১) ফাটবিহু উদ্‌যাপন সমিতি ঃ**

(ক) প্ৰতি বছৰে ব'হাগ মাহৰ শেষৰ ফালে তিনিদিনীয়াকৈ ফাটবিহু উৎসৱ উদ্‌যাপন কৰা হ'ব।

(খ) এই উৎসৱ উদ্‌যাপন কৰিবৰ কাৰণে এখন উদ্‌যাপন সমিতি থাকিব।

(গ) এই উদ্‌যাপন সমিতি বছৰৰ শেষৰখন সাধাৰণ সভাত গঠন কৰিব লাগিব।

(ঘ) এই সাধাৰণ সভাখন ফাগুন মাহৰ তৃতীয় সম্পাহত অনুষ্ঠিত কৰিব লাগিব।

(ঙ) এই উদ্‌যাপন সমিতি খন ৪১ জনীয়া হ'ব। এই ৪১ জনৰ উপৰিও ফাটবিহু সমিতিৰ সদস্যসকল পোনপটীয়াকৈ উদ্‌যাপন সমিতিৰ সদস্য হ'ব।

(চ) এই ৪১ জন সদস্য ফাটবিহুৰ পঞ্জীয়নভূক্ত সদস্য হোৱাটো বাধ্যতামূলক।

(ছ) এই সদস্য সকলক সাধাৰণ সভাত উপস্থিত থকা পঞ্জীয়নভূক্ত সদস্য সকলে প্ৰস্তাৱ আৰু সমৰ্থনৰ জৰিয়তে নিৰ্বাচন কৰিব। এজন সদস্যই মাত্ৰ এজন সদস্যকহে নিৰ্বাচন কৰিব পাৰিব।

(জ) নিৰ্বাচিত সদস্য সকলৰ মাজৰ পৰা উদ্‌যাপন সমিতিৰ কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া নিৰ্বাচিত কৰিব। কাৰ্যনিৰ্বাহকৰ বিষয়ববীয়া নিৰ্বাচনৰ ক্ষেত্ৰত এটা পদৰ বিপৰীতে এজনতকৈ অধিক সদস্যৰ নাম প্ৰস্তাৱ কৰিলে সভাপতিয়ে প্ৰস্তাৱক, সমৰ্থক আৰু প্ৰস্তাৱিত প্ৰাৰ্থী সকলক ঐক্যমতৰ ভিত্তিত মাত্ৰ এজন বাচি উলিয়াবলৈ অনুৰোধ জনাব। এনে অনুৰোধ কাৰ্যকৰী নহ'লে গণতান্ত্ৰিক পদ্ধতিৰে সদস্য নিৰ্বাচন কৰিব। এই নিৰ্বাচনত ইতিমধ্যে নিৰ্বাচিত হোৱা ৪১ জন সদস্যৰ উপৰিও ফাটবিহু সমিতিৰ সদস্য সকলে অংশ গ্ৰহণ কৰিব পাৰিব। এই নিৰ্বাচন গোপন পদ্ধতিৰে সম্পাদন কৰিব লাগিব। নিৰ্বাচন ড্ৰ হ'লে সভাপতিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

**(২) ফাটবিহু উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকল ঃ-**

(ক) সভাপতি এজন।

(খ) উপ-সভাপতি তিনিজন ।

(গ) সম্পাদক এজন।

(ঘ) সহকাৰী সম্পাদক তিনিজন।

(ঙ) কোষাধ্যক্ষ এজন ।

(চ) প্ৰচাৰ সম্পাদক তিনিজন।

(ছ) কাৰ্যালয় সম্পাদক দুজন।

(জ) সদস্য/সদস্যা সাতাইশজন।

**(৩) উদ্‌যাপন সমিতিৰ বিষয়ববীয়া সকলৰ যোগ্যতা, দায়িত্ব ও কৰ্ত্তব্য ঃ-**

**(ক) উপদেষ্টা ঃ-** (ক) উদ্‌যাপন সমিতিৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়াব আৰু উদ্‌যাপন সমিতিৰ বৈঠকত উপস্থিত থাকিব পাৰিব কিন্তু তেখেত সকলৰ ভোটাধিকাৰ নেথাকিব।

**সভাপতি ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতি পদৰ বাবে ব্যক্তিজন সংস্কৃতিপ্ৰেমী আৰু সৎ চৰিত্ৰবান হোৱাটো বাঞ্চনীয়।

(খ) কোনো অসামাজিক আৰু আইন বিৰোধ কামৰ লগত জড়িত ব্যক্তি ফাটবিহু সমিতিৰ সভাপতি হোৱাৰ যোগ্যতা নাথাকিব।

(গ) ফাটবিহুৰ লগতে অন্যান্য যিকোনো ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত বিত্তীয় খেলিমেলি থকা ব্যক্তি ফাটবিহু সমিতিৰ সভাপতি পদৰ বাবে বিবেচনা কৰা নহ'ব।

(ঘ) অতি কমেও এটা কাৰ্যকাল ফাটবিহু সমিতিৰ সদস্য হৈ থকা অভিজ্ঞতা থাকিব লাগিব অথবা একেৰাহে দুটা উদ্‌যাপন বৰ্ষৰ উদ্‌যাপন সমিতিৰ বিষয়ববীয়া হৈ কাৰ্য্য পৰিচালনা কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) ফাটবিহু উদ্‌যাপনৰ সামগ্ৰীক দায়িত্ব সভাপতিৰ ওপৰত ন্যস্ত থাকিব।

(খ) উদ্‌যাপন সমিতিৰ সকলো কাৰ্যনিৰ্বাহকত সভাপতিত্ব কৰিব।

(গ) কাৰ্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰ ত সভাপতিয়ে দৃষ্টি ৰখাৰ ক্ষমতা থাকিব। উদ্‌যাপন সমিতিৰ টকা-পইচাৰ লেনদেন, খা-খৰচ আদিৰ ক্ষেত্ৰ ত সভাপতিৰ অনুমোদন অপৰিহাৰ্য্য।

(ঘ) উদ্‌যাপনৰ বাবে আৰ্থিক সাহাৰ্য্য দান-বৰঙণি আদি সংগ্ৰহ কৰাৰ ক্ষেত্ৰ ত সভাপতিৰ

অনুমোদন আৰু স্বাক্ষৰিত ৰচিদ থকাতো বাধ্যতামূলক।

(ঙ) ফাটবিহু উদ্‌যাপনৰ মূল সভাত আদৰণি অভিভাষণ পাঠ কৰিব লাগিব।

(চ) কোনো এৰাব নোৱাৰা কাৰণত ফাটবিহু উদ্‌যাপনৰ কাৰ্য্য পৰিচালনা কৰাৰ ক্ষেত্ৰত অপাৰগ হ'লে উপ-সভাপতিক লিখিত দায়িত্ব অৰ্পণ কৰিব লাগিব আৰু এই ক্ষেত্ৰত ফাটবিহু সমিতিৰ সভাপতি-সম্পাদকৰ পৰা অনুমোদন ল'ব লাগিব।

**সভাপতি ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ উপ-সভাপতি হ'বলৈ হ'লে উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ) আৰু (গ) দফা প্ৰযোজ্য হ'ব।

(খ) অতি কমেও দুটা উদ্‌যাপন বৰ্ষৰ বিষয়ববীয়া হৈ কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) সভাপতিৰ সকলো কাম-কাজত উপ-সভাপতিয়ে সহায়-সহযোগিতা আগবঢ়াব লাগিব।

(খ) সভাপতিৰ অনুপস্থিতিতউপ-সভাপতিয়ে বৈঠকত সভাপতিত্ব কৰিব লাগিব।

(গ) এৰাব নোৱাৰা পৰিস্থিতিত সভাপতিত্বৰ দায়িত্ব বহন কৰিব নোৱাৰিলে ফাটবিহু সমিতিৰ অনুমোদিত উপ-সভাপতিজনক সভাপতিৰ কাম চলাবলৈ দায়িত্ব দিব লাগিব।

**সম্পাদক ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ সম্পাদক হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ), (গ) আৰু(ঘ) ধাৰা প্ৰযোজ্য হ'ব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) উদ্‌যাপন সমিতিৰ কাৰ্য্যসূচী আৰু সিদ্ধান্ত কাৰ্যকৰী কৰাৰ মূল দায়িত্ব সম্পাদক গৰাকীয়ে বহন কৰিব লাগিব।

(খ) উদ্‌যাপন সমিতিৰ সকলো সভা-সমিতি উদ্‌যাপন সমিতিৰ সভাপতিৰ অনুমোদন সাপেক্ষে সম্পাদকে আহ্বান কৰিব লাগিব।

(গ) উদ্‌যাপনৰ সকলো নথি-পত্ৰ, হিচাপ-পত্ৰ সম্পাদকৰ লগত থাকিব।

(ঘ) উদ্‌যাপন সম্পৰ্কীয় সকলো চৰকাৰী আৰু বে-চৰকাৰী ব্যৱস্থা সম্পাদকে কৰিব লাগিব।

(ঙ) সকলো কাম পৰিচালনা কৰাৰ ক্ষেত্ৰত ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ উপৰিও ফাটবিহু সমিতিৰ সভাপতি/সম্পাদকৰ লগত সঘন যোগাযোগ ৰাখিব লাগিব।

(চ) সকলো আয়-ব্যয়ৰ হিচাপ-পত্ৰ সভাপতি আৰু কোষাধ্যক্ষক অৱগত কৰি সভাপতিৰ পৰা অনুমোদন ল'ব লাগিব।

(ছ) বিশেষ তথ্য সম্বলিত অভিযোগৰ ভিত্তিত উদ্‌যাপন সমিতিৰ সভাপতি বা বিত্ত সম্পাদকে ফাটবিহু সমিতিক জ্ঞাত কৰি উদ্‌যাপন সমিতিৰ সম্পাদকক লিখিত নিৰ্দেশ দিলে বিত্তীয় লেন-দেন পৰৱৰ্ত্তী অনুমোদনলৈকে বন্ধ ৰাখিব লাগিব।

(জ) উদ্‌যাপন সমিতিৰ সম্পাদকে উদ্‌যাপনৰ সকলো ব্যয়ৰ হিচাপ উদ্‌যাপন শেষ হোৱাৰ এমাহৰ ভিতৰত সাধাৰণ সভাত দাখিল কৰিব পৰাকৈ সকলো নীতি-নিয়মৰ মাজেৰে ফাটবিহু সমিতিৰ সভাপতি বা সম্পাদকৰ হাতত জমা দিয়াটো বাধ্যতামূলক। ইয়াৰ অন্যথা হ'লে ফাটবিহু সমিতিয়ে সম্পাদকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ অধিকাৰ থাকিব।

(ঝ) উদ্‌যাপনৰ মুকলি সভাত উদ্‌যাপন সম্পৰ্কীয় প্ৰতিবেদন সম্পাদকে পাঠ কৰিব লাগিব।

(ঞ) এৰাব নোৱাৰা কাৰণত সম্পাদকৰ দায়িত্ব পালন কৰিব নোৱাৰিলে উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদকৰ অনুমোদন লৈ এগৰাকী সহকাৰী সম্পাদকক কাৰ্য্য পৰিচালনা কৰিবৰ বাবে দায়িত্ব দিব লাগে।

**সহকাৰী সাধাৰণ সম্পাদক ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ উপ-সভাপতিৰ যোগ্যতাখিনিয়েই সহকাৰী সম্পাদকৰ যোগ্যতা হিচাবে প্ৰযোজ্য হ'ব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) উদ্‌যাপনৰ সকলো কাৰ্যসূচীতে সাধাৰণ সম্পাদকক সক্ৰিয় সহযোগ আগবঢ়াব লাগিব।

(খ) সম্পাদকৰ অনুপস্থিতিত উদ্‌যাপন সমিতিৰ সভাপতি আৰু ফাটবিহু সমিতিৰ সভাপতি-সম্পাদকৰ অনুমোদন লৈ সম্পাদকৰ দায়িত্ব পালন কৰিব লাগিব।

**কোষাধ্যক্ষ ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ কোষাধ্যক্ষ হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ), (গ) ধাৰা প্ৰযোজ্য হ'ব।

(খ) কোষাধ্যক্ষ জন বিত্তীয় হিচাপ-নিকাচ কৰাত অভিজ্ঞতা সম্পন্ন ব্যক্তি হোৱাটো বাঞ্চনীয়।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) উদ্‌যাপন সম্পৰ্কীয় আয়-ব্যয়ৰ হিচাব বিত্তীয় সম্পাদকৰ অৱগত হ'ব লাগিব।

(খ) সময়ে সময়ে এই আয়-ব্যয়ৰ হিচাব সম্পাদকৰ পৰা বিচাৰিব পাৰিব।

(গ) উদ্‌যাপন সম্পৰ্কীয় দান-বৰঙণি ৰচিদ বহীত অনুমোদন জনাব লাগিব।

(ঘ) উদ্‌যাপনৰ আয়-ব্যয়ৰ ক্ষেত্ৰ ত তথ্য ভিত্তিক অভিযোগ আহিলে সম্পাদকক কাৰণ দৰ্শোৱা জাননী জাৰি কৰিব পাৰিব। কাৰণ দৰ্শোৱা জাননীৰ উত্তৰ গ্ৰহণযোগ্য বুলি বিবেচনা নহ'লে উদ্‌যাপন সমিতিৰ সভাপতিৰ অনুমোদন লৈ সম্পাদকক বিত্তীয় লেন-দেন সাময়িক ভাৱে বন্ধ ৰাখিবলৈ নিৰ্দেশ দিব পাৰিব। এনে অভিযোগ সত্য-সত্যতা নিৰূপণ হোৱাৰ পিছত চূড়ান্ত সিদ্ধান্তৰ বাবে সভাপতি আৰু ফাটবিহু সমিতিক অৱগত কৰিব লাগিব।

(ঙ) উদ্‌যাপনৰ হিচাপ-নিকাচ নিয়াৰিকৈ যুগুতাই এমাহৰ ভিতৰত ফাটবিহু সমিতিক দাখিল কৰাৰ ক্ষেত্ৰ ত সম্পাদকক বিত্তীয় সম্পাদকে সহযোগ কৰিব লাগিব।

**<u>প্ৰচাৰ সম্পাদক ঃ-</u>**

**<u>(১) যোগ্যতা ঃ-</u>**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ প্ৰচাৰ সম্পাদক হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ), (গ) ধাৰা প্ৰযোজ্য হ'ব।

(খ) উদ্‌যাপন সমিতিৰ প্ৰচাৰ সম্পাদকৰ বাবে কমেও এটা উদ্‌যাপন বৰ্ষৰ উদ্‌যাপন সমিতিৰ বিষয়ববীয়া বা উপ-সমিতিৰ বিষয়ববীয়া হোৱাটো বাঞ্চনীয়।

**<u>(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-</u>**

(ক) ফাটবিহু উদ্‌যাপনৰ বাবে বিস্তৃত প্ৰচাৰৰ দায়িত্ব প্ৰচাৰ সম্পাদকৰ থাকিব।

(খ) বিহুদল সমূহে ফাটবিহুত অংশ গ্ৰহণ কৰাৰ ক্ষেত্ৰ ত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(গ) উদ্‌যাপন সম্পৰ্কীয় প্ৰচাৰ কাৰ্য্যত ফাটবিহুৰ ঐতিহ্য ইতিহাস আৰু নীতি-নিৰ্দেশনা সমূহ বিহুদল সমূহৰ লগতে ৰাইজকো জ্ঞাত কৰিব লাগিব।

(ঘ) ফাটবিহুৰ চলন্ত বঁটা সমূহ পূৰ্ব বিজয়ী দল সমূহৰ পৰা নিৰ্দিষ্ট সময়ৰ ভিতৰত সংগ্ৰহ কৰাৰ দায়িত্ব বহন কৰিব লাগিব।

**কাৰ্যালয় সম্পাদক ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ কাৰ্যালয় সম্পাদক হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ), (গ) ধাৰা প্ৰযোজ্য হ'ব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) কাৰ্যালয় সম্পাদকে ফাটবিহু উদ্‌যাপনৰ সকলো নথি-পত্ৰ শৃংখলাবদ্ধভাৱে ৰখাত সভাপতি আৰু সম্পাদকক সহায় কৰিব।

(খ) উদ্‌যাপন সম্পৰ্কীয় সকলো চিঠি-পত্ৰ কাৰ্যালয় সম্পাদকে দিয়া মেলা কৰিব।

(গ) অস্থায়ী কাৰ্যালয় খুলি উদ্‌যাপন সম্পৰ্কীয় তথ্য ফাটবিহুপ্ৰেমী ৰাইজক প্ৰয়োজনত জ্ঞাত কৰিব লাগিব।

**কাৰ্যকৰী সদস্য ঃ-**

**(১) যোগ্যতা ঃ-**

(ক) ফাটবিহু উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সদস্য হ'বলৈ হ'লে ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ যোগ্যতাৰ (ক), (খ), (গ) ধাৰা প্ৰযোজ্য হ'ব।

**(২) দায়িত্ব ও কৰ্ত্তব্য ঃ-**

(ক) সকলো কাৰ্যকৰী সভাত উপস্থিত থাকিব লাগিব।

(খ) উদ্‌যাপনৰ সকলো কাৰ্যসূচীতে বিশেষ ভাৱে জড়িত থাকিব লাগিব।

(গ) উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদকে দিয়া যিকোনো দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিব লাগিব।

(ঘ) উদ্‌যাপন সমিতিৰ যিকোনো বিষয়ববীয়া ফাটবিহুৰ সংবিধান বৰ্হিভূত কামৰ বাবে অভিযোগ উত্থাপিত হ'লে দুই-তৃতীয়াংশ সদস্যৰ সন্মতি সাপেক্ষে অভিযুক্তজনৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিব পাৰিব। এনে অনাস্থা প্ৰস্তাৱ আহিলে উক্ত প্ৰস্তাৱ বিবেচনা আৰু অনুমোদনৰ কাৰণে কাৰ্যকৰী সভাই সাধাৰণ সভালৈ প্ৰেৰণ কৰিব লাগিব।

**অনুচ্ছেদ ৫ ঃ-**

**সাধাৰণ পৰিষদ ঃ-**

(ক) ফাটবিহুৰ এখন সাধাৰণ পৰিষদ থাকিব।

(খ) এই সাধাৰণ পৰিষদখন ফাটবিহুৰ প্ৰাথমিক সদস্য, স্থায়ী সদস্য আৰু আজীৱন সদস্য সকলক লৈ গঠিত হ'ব।

(গ) বছৰেকত কমেও দুবাৰ সাধাৰণ পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব লাগিব।

(ঘ) সাধাৰণ পৰিষদত ফাটবিহু সমিতিৰ সম্পাদকে দাখিল কৰা বিভিন্ন কৰ্ম-আঁচনি আৰু বাজেটৰ বিষয়ে আলোচনা কৰি গৃহীত কৰাব লাগিব।

(ঙ) সাধাৰণ পৰিষদে সংবিধান সংশোধনৰ প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰিব। অৱশ্যে এই প্ৰস্তাৱ পৰৱৰ্ত্তী ৰাজহুৱা সভাই অনুমোদন জনাব লাগিব।

(চ) ফাটবিহু সমিতিৰ দুই-তৃতীয়াংশ সদস্যই সংবিধান বৰ্হিভূত কাৰ্যত লিপ্ত হোৱাৰ অপৰাধত কাৰ্যকৰী সদস্যৰ বিৰুদ্ধে অনা অনাস্থা প্ৰস্তাৱ সাধাৰণ পৰিষদে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব।

(ছ) সংবিধান বৰ্হিভূত কাৰ্যত লিপ্ত থকা সদস্যক সাধাৰণ পৰিষদে শাস্তিমুলক ব্যৱস্থা হিচাবে নিলম্বিত, বহিস্কৰণ কিম্বা জৰিমণাকৰণ কৰিব পাৰিব।

(জ) ব্যক্তিগত অসুবিধা বা বিশেষ কাৰণত ফাটবিহু সমিতিৰ সদস্যই পদবীৰ পৰা অব্যাহতি বিচাৰিলে তেনে সদস্যক অব্যাহতি দিয়াৰ ক্ষমতা কেৱল সাধাৰণ পৰিষদৰহে থাকিব

আৰু খালী হোৱা পদৰ বিপৰীতে সাধাৰণ পৰিষদত প্ৰস্তাৱ আৰু সমৰ্থনৰ জৰিয়তে সদস্য পদ পূৰণ কৰিব পাৰিব।

(ঝ) সাধাৰণ সভা আহ্বান কৰাৰ বিষয়ে সদস্য সকলক কমেও চাৰি দিনৰ আগতে চিঠিৰে নিমন্ত্ৰণ কৰিব লাগিব।

**অনুচ্ছেদ ৬ ঃ-**

**কাৰ্যকৰী সভা ঃ-**

(ক) ফাটবিহু সমিতিৰ কাৰ্যকৰী সভা বছৰেকত কমেও পাঁচবাৰ অনুষ্ঠিত হ'ব লাগিব।

(খ) এখন কাৰ্যকৰী সভাৰপৰা অন্যখন কাৰ্যকৰী সভা সৰ্বোচ্চ ব্যৱধান তিনিমাহৰ অধিক হব নোৱাৰিব।

(গ) প্ৰতিখন কাৰ্যকৰী সভাত পূৰ্বৰ কাৰ্যনিৰ্বাহক সভাৰ প্ৰতিবেদন আৰু ইয়াৰ কাৰ্যকৰণৰ ওপৰত বিস্তৃত আলোচনা হ'ব লাগিব।

(ঘ) কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ বাতৰি সদস্য সকলে অতিকমেও চাৰি দিনৰ আগতে পাব লাগিব।

**অনুচ্ছেদ ৭ ঃ-**

**ৰাজহুৱা সভা ঃ-**

(ক) প্ৰতি তিনি বছৰৰ মূৰে মূৰে ৰাজহুৱা সভা অনুষ্ঠিত হ'ব।

(খ) সভাত ফাটবিহু সমিতি সাংবিধানিক প্ৰক্ৰিয়াৰে গঠন কৰা হ'ব।

(গ) অতি জৰুৰী কাৰণত ৰাজহুৱা সভা নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বেও অনুষ্ঠিত কৰিব পাৰিব।

(ঘ) ৰাজহুৱা সভাখন ফাটবিহু সমিতিৰ সম্পাদকে আহ্বান কৰিব।

(ঙ) ৰাজহুৱা সভা অনুস্থিত কৰাৰ কমেও তিনি দিনৰ আগতে সদস্য সকলক চিঠিৰে অৱগত কৰিব লাগিব আৰু সভাৰ বহুল প্ৰচাৰ কৰিব লাগিব।

**অনুচ্ছেদ ৮ ঃ-**

**পুজি ঃ**

(ক) ফাটবিহু সমিতিৰ এটা স্থায়ী পুজি থাকিব।

(খ) জমা পুজিৰ পাঁচহেজাৰ টকা সম্পাদকে হাতে জমা ৰাখি বাকী সমুদায় টকা স্থানীয় বেংকত সভাপতি আৰু সম্পাদকৰ যুটীয়া স্বাক্ষৰত জমা ৰাখিব লাগিব।

(গ) নিৰ্দিষ্ট কৰ্ম-আঁচনি ৰূপায়ণৰ অৰ্থে সভাপতি-সম্পাদকে জমা পূজিৰ পৰা প্ৰয়োজনীয় হিচাপত টকা উলিয়াই আনিব পাৰিব।

পুজি সংগ্ৰহ ঃ- ফাটবিহু সমিতিৰ পূজি তলত দিয়া ধৰণে সংগ্ৰহ কৰা হ'ব।

(ক) চৰকাৰী অনুদানৰ জৰিয়তে।

(খ) বে-চৰকাৰী বিত্তীয় অনুষ্ঠানৰ আৰ্থিক অনুদানৰ জৰিয়তে।

(গ) দান-বৰঙণিৰ জৰিয়তে।

(ঘ) অন্যান্য সাংস্কৃতিক অনুষ্ঠান আদি পৰিবেশন কৰাৰ জৰিয়তে।

(ঙ) সদস্য ভৰ্ত্তি মাচুলৰ জৰিয়তে।

(চ) সদস্য ভৰ্ত্তি নবীকৰণৰ মাচুলৰ জৰিয়তে।

**অনুচ্ছেদ ৯ ঃ-**

**সদস্য ভৰ্ত্তিকৰণ ঃ**

(ক) ফাটবিহুৰ প্ৰতি আনুগত্য থকা জাতি-বৰ্ণ-ধৰ্ম-দল নিৰ্বিশেষে সকলো সংস্কৃতিবান ব্যক্তিয়ে ফাটবিহু সমিতিৰ সদস্য হ'ব পাৰিব।

(খ) সাধাৰণ সদস্য হ'বলৈ দহ টকা সদস্য ভৰ্ত্তি মাচুল দিয়াটো বাধ্যতামূলক।

(গ) সাধাৰণ সদস্যবৃন্দই ৰাজহুৱা, সাধাৰণ সদস্যবৃন্দই ৰাজহুৱা সাধৰণ পৰিষদৰ সভা আদিত উপস্থিত থাকি সভাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব পাৰিব কিন্তু নিৰ্বাচন প্ৰক্ৰিয়াত জড়িত হ'ব নোৱাৰিব।

(ঘ) সাধাৰণ সদস্য সকলেও ফাটবিহু উদ্‌যাপনৰ সময়ত জাতীয় সাজপাৰ পৰিধান কৰাটো বাধ্যতামূলক।

(ঙ) সাধাৰণ সদস্যৰ নবীকৰণ প্ৰতিবছৰে হ'ব লাগিব।

(চ) একেৰাহে তিনিবছৰ সাধাৰণ সদস্য হৈ থকাৰ পিছত স্থায়ী সদস্যৰ বাবে আবেদন কৰাৰ যোগ্যতা লাভ কৰিব।

**স্থায়ী সদস্য ঃ-**

(ক) স্থায়ী সদস্য হ'বলৈ কমেও তিনিবছৰ সাধাৰণ সদস্য হৈ থাকিব লাগিব। স্থায়ী সদস্যৰ ভৰ্ত্তি মাচুল এশ টকা।

(খ) প্ৰতি তিনিবছৰৰ মূৰে মূৰে সদস্য পদ নবীকৰণ কৰিব লাগিব।

**আজীৱন সদস্য ঃ-**

(ক) ফাটবিহুৰ আজীৱন সদস্য হ'বলৈ হ'লে অতি কমেও পইত্ৰিছ বছৰ অতিক্ৰম কৰিব লাগিব।

(খ) অতিকমেও পাঁচ বছৰ ফাটবিহুৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হ'ব লাগিব।

(গ) আজীৱন সদস্য হ'বলৈ হলে যিকোনো অসামাজিক কামত জড়িত থকাৰ পৰা বিৰত থাকিব লাগিব।

(ঘ) আজীৱন সদস্য সকলৰ ভোটাধিকাৰ থাকিব।

(চ) আজীৱন সদস্যৰ ভৰ্ত্তি মাচুল এহেজাৰ টকা।

(ছ) আজীৱন সদস্য সকলক ফাটবিহুৰ সন্মানীয় সদস্য হিচাপে গণ্য কৰা হ'ব।

**অনুচ্ছেদ ১০ ঃ-**

**সদস্য পদ বাতিলকৰণ ঃ- (সাধাৰণ সদস্য আৰু স্থায়ী সদস্য)**

(ক) সংবিধান বৰ্হিভূত যিকোনো কামত লিপ্ত হ'লে।

(খ) যিকোনো অসামাজিক আৰু আইনবিৰুধী কামত জড়িত থাকিলে।

**কাৰ্যনিৰ্বাহক সদস্য পদ বাতিলকৰণ ঃ**

(ক) কোনো কাৰণ ন-দৰ্শোৱাকৈ একেৰাহে তিনিখন সভাত অনুপস্থিত থাকিলে।

(খ) ফাটবিহু সমিতিৰ সিদ্ধান্তক অৱমাননা কৰিলে।

(গ) যিকোনো ৰাজহুৱা অনুষ্ঠানত পুঁজি আত্মসাৎৰ অভিযোগ থাকিলে।

(ঘ) অসামাজিক আৰু আইন বিৰুদ্ধ কামত লিপ্ত হ'লে।

(ঙ) সংবিধান বৰ্হিভূত কামত লিপ্ত হ'লে।

(চ) ফাটবিহু আৰু বিহুতলীৰ যিকোনো সম্পদ অনিষ্ট কৰাৰ কাৰ্যত জড়িত থাকিলে।

**উদ্‌যাপন সমিতিৰ সদস্য পদ বাতিলকৰণ ঃ**

(ক) কাৰ্যনিৰ্বাহক সদস্য পদ বাতিলকৰণৰ কাৰণ সমূহ প্ৰযোজ্য হ'ব।

**অনুচ্ছেদ ১১ ঃ-**

**ফাটবিহু উদ্‌যাপন কাৰ্যসূচী প্ৰস্তুতি সমিতি ঃ**

(ক) ফাটবিহু উদযাপন কাৰ্যসূচী প্ৰস্তুত কৰিবৰ কাৰণে এখন কাৰ্যসূচী প্ৰস্তুতি সমিতি থাকিব।

(খ) এই প্ৰস্তুতি সমিতি ফাটবিহু সমিতিৰ সভাপতি, সম্পাদক আৰু পাঁচজন সদস্যৰ লগতে উদ্‌যাপন সমিতিৰ সভাপতি, সম্পাদক আৰু পাঁচজন সদস্যৰ দ্বাৰা গঠিত হ'ব।

(গ) এই সমিতিয়ে প্ৰস্তুত কৰা কাৰ্যসূচীয়েই চূড়ান্ত হিচাপে গণ্য কৰা হ'ব যদিও সাল-সলনি কৰাৰ ক্ষেত্ৰত সাধাৰণ পৰিষদৰ কতৃত্ব থাকিব।

**অনুচ্ছেদ ১২ ঃ-**

**বিহুৱান সম্পাদনা সমিতি ঃ**

(ক) ফাটবিহু উদযাপনৰ উপলক্ষে এখন বছৰেকীয়া আলোচনী প্ৰকাশৰ ব্যৱস্থা থাকিব।

(খ) এই আলোচনী খনৰ নাম "বিহুৱান" হ'ব।

(গ) বিহুৱান প্ৰকাশৰ বাবে এখন সম্পাদনা সমিতি থাকিব।

(ঘ) সম্পাদনা সমিতিখন সাধাৰণ পৰিষদে গঠন কৰি দিব।

(ঙ) প্ৰতি বছৰে অনুষ্ঠিত হোৱা শেষৰখন সাধাৰণ পৰিষদৰ সভাত পৰৱৰ্ত্তী বছৰৰ ফাটবিহু উদ্যাপনৰ উপলক্ষে প্ৰকাশ পাব লগীয়া বিহুৱানৰ সম্পাদনা সমিতিখন গঠন কৰি দিব।

(চ) সম্পাদনা সমিতিৰ সদস্য সকল ফাটবিহুৰ সাধাৰণ পৰিষদৰ সদস্য হোৱাটো বাধ্যতামূলক।

(ছ) সমিতিৰ সদস্য সংখ্যা সাঁতজন হ'ব। ইয়াৰে এজনক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হ'ব। সাঁতজন সদস্যৰ ভিতৰত কমেও এগৰাকী মিহিলা সদস্যা থকাটো বাধ্যতামূলক।

(জ) বিহুৱানৰ সম্পাদকৰ বাবে দুজনৰ নাম প্ৰস্তাৱ কৰিলে এই ক্ষেত্ৰ ত সভাৰ সভাপতিদেৱে ঐক্যমতত উপনীত হ'বলৈ আহ্বান জনাব। ঐক্যমতত উপনীত নহ'লে সাঁতজনৰ মাজৰ পৰা বিহুৱানৰ সম্পাদকক বাচি উলিওৱাৰ দায়িত্ব ফাটবিহু সমিতিৰ থাকিব।

***********

আজি ইং ২০০৯ বৰ্ষৰ মাৰ্চ মাহৰ ২২ তাৰিখ দেওবাৰে অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত ফাটবিহুৰ এই সংবিধানখন উপস্থিত সকলো সদস্য মত সাপেক্ষে মই সভাপতি শ্ৰী কেশৱ গগৈয়ে গৃহীত হোৱা বুলি ঘোষণা কৰিলো।

স্বাক্ষৰ ঃ-
কেশৱ গগৈ
সভাপতি
ৰাজহুৱা সভা
তাং ২২/০৩/০৯
স্থান ঃ ফাটবিহু তলী।

## -ঃঃ সংবিধান খচৰা প্ৰস্তুতি কমিটি ঃঃ-

শ্ৰী কেশৱ গগৈ, সভাপতি, ফাটবিহু সমিতি

শ্ৰী লালিত্য কুমাৰ দাস, সম্পাদক, ফাটবিহু সমিতি

শ্ৰী নৱ গগৈ, সহকাৰী সম্পাদক, ফাটবিহু সমিতি

শ্ৰী জগদীশ গগৈ, উপদেষ্টা

শ্ৰী গোলোক গগৈ, উপদেষ্টা

শ্ৰী উত্তম বৰুৱা, উপদেষ্টা